000000

ৰাজ্য চৰকাৰে নিম্ন শ্ৰেণীৰ চৰকাৰী চাকৰিৰ ক্ষেত্ৰত বয়সৰ উচ্চসীমা বৃদ্ধি কৰা আৰু সেই পদসমূহৰ বাবে বিনামূলীয়া  আবেদন জনোৱাৰ ব্যৱস্থা কৰিছে। ৰাজ্য চৰকাৰৰ অধীনৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিৰ ক্ষেত্ৰত বয়সৰ উচ্চ সীমা সাধাৰণ শ্ৰেণীৰ আবেদনকাৰীৰ বাবে পূৰ্বৰ ৩৮ বছৰৰ পৰা বৰ্তমান ৪৪ বছৰ ধাৰ্য্য কৰা হৈছে। আনহাতে, এই দুয়োটা শ্ৰেণীৰ পদৰ বাবে এতিয়াৰে পৰা কোনো ধৰণৰ আবেদন মাচুলৰ প্ৰয়োজন নহব। এই কথা জানিবলৈ দি বিত্তমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীত আয়োজিত এক সংবাদ মেলত কয় যে, ২০১৮-১৯  বিত্তীয় বৰ্ষৰ বাজেট ঘোষণা কৰাৰ পৰতে এই কথা উল্লেখ কৰা হৈছিল আৰু ইয়াক কাৰ্য্যকৰী কৰাৰ বাবে ইতিমধ্যে জাননী জাৰি কৰা হৈছে। শ্ৰী শৰ্মাই লগতে কয় যে, বিভিন্ন উচ্চ মাধ্যমিক বিদ্যালয়ত নিযুক্ত ঠিকাভিত্তিক শিক্ষকসকলৰ দৰমহাও বৰ্তমানৰ ১৫ হাজাৰ টকাৰ পৰা ২০ হাজাৰ টকালৈ বৃদ্ধি কৰা হৈছে। ইয়াৰ দ্বাৰা ৭ হাজাৰ ঠিকাভিত্তিক শিক্ষক উপকৃত হব বুলি শ্ৰী শৰ্মাই মন্তব্য কৰে।

বিত্তমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ বিভিন্ন সংস্থা আৰু নিগমসমূহত কৰ্মৰত কৰ্মচাৰীৰ মৃত্যুত মৃতকৰ নিকটাত্মীয়লৈ পাচঁ লাখ টকাৰ এককালীন সাহায্য আগবঢ়োৱাৰ কথাও সংবাদ মেলত ঘোষণা কৰি কয় যে, চৰকাৰৰ বিত্ত বিভাগে বাজেটত ঘোষণা কৰা আচঁনি সমূহৰ সঠিক ৰূপায়ন সম্পৰ্কে নজৰ ৰাখিছে আৰু এই সম্পৰ্কে সংবাদ মাধ্যমৰ যোগেদি সময়ে সময়ে জনসাধাৰণক অৱগত কৰাই থাকিব।

স্বাস্থ্যখণ্ড সম্পৰ্কে মন্ত্ৰী গৰাকীয়ে কয় যে, অসম চৰকাৰ আৰু টাটা ট্ৰাষ্টে ৰাজ্যখনৰ বিভিন্ন স্থানত দুহেজাৰ কোটি টকা ব্যয় সাপেক্ষে ১৯ খন কেন্সাৰ কেয়াৰ প্ৰতিষ্ঠান স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অহা মাহৰ ১৭ তাৰিখে গুৱাহাটীত এই প্ৰতিষ্ঠানসমূহৰ আধাৰশিলা স্থাপন কৰা হব। আনহাতে, চৰকাৰে ৰাজ্যখনৰ ডিব্ৰুগড় আৰু শিলচৰত ৫০খনকৈ আসনযুক্ত দুখন নতুন দন্ত চিকিৎসা মহাবিদ্যালয় স্থাপনৰো

সিদ্ধান্ত লৈছে বুলি স্বাস্থ্য মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সংবাদ মেলত উল্লেখ কৰে।

000000

অসম মাধ্যমিক শিক্ষা পৰিষদৰ সচিব প্ৰবীন শৰ্মাই জানিবলৈ দিছে যে অহা ২৫ মে তাৰিখে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হব। দিনৰ ১১ বজাত ছাত্ৰ ছাত্ৰীসকলে নিজ নিজ শিক্ষানুষ্ঠানত পৰীক্ষাৰ ফলাফল লাভ কৰিব যদিও ছেবাৰ ৱেবছাইট আৰু এচ এম এছ যোগে পুৱা ৯ বজাৰ পৰা ৰাইজে ফলাফল চাব পাৰিব বুলি সচিব গৰাকীয়ে জানিবলৈ দি কয় যে, পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ দিনাই ছাত্ৰ ছাত্ৰীসকলক তেওঁলোকৰ নম্বৰ তালিকা আৰু প্ৰমাণ পত্ৰসমূহো প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত তিনি লাখ ৪৭ হাজাৰ দুশ ৬৫ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হৈছে। আনহাতে, চলিত মাহৰে ৩০ তাৰিখৰ ভিতৰত অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ  অধীনত অনুষ্ঠিত হোৱা উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফলসমুহো ঘোষণা কৰা হব বুলি সংসদৰ কাৰ্য্যালয়ৰ পৰা জানিবলৈ দিছে। উচ্চতৰ মাধ্যমিক পৰীক্ষাত এইবাৰ অৱৰ্তীণ হোৱা শিক্ষাৰ্থীৰ সংখ্যা হৈছে ২ লাখ ৫৬ হাজাৰ দুশ ৮০ জন।

000000

অসম গণ পৰিষদ দলে কালি ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় সভাপতি অমিত শ্বাহৰ আগত নাগৰিকত্ব সংশোধনী বিধেয়ক ২০১৬ৰ বিৰোধীতা কৰি প্ৰতিবাদ সাব্যস্ত কৰে আৰু কেন্দ্ৰক বিধেয়কখন কাৰ্য্যকৰী নকৰিবলৈ আহ্বান জনাই কয় যে, এই বিধেয়কখনে খিলঞ্জীয়া লোকৰ অস্তিত্ব বিপন্ন কৰাৰ লগতে অসম চুক্তিৰ চৰ্ত্তকো অৱমাননা কৰিছে। অগপ দলৰ সভাপতি কৃষিমন্ত্ৰী অতুল বৰাই গুৱাহাটীত অনুষ্ঠিত নেডাৰ তৃতীয় বৈঠকত অংশ গ্ৰহণ কৰিবলৈ অহা বিজেপিৰ সভাপতি গৰাকীক সাক্ষাৎ কৰি তেওঁৰ যোগেদি অসমৰ স্থানীয়  ৰাইজৰ ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰক বিধেয়কখনত অনুমোদন নজনাবলৈ অনুৰোধ জনায়। উল্লেখ্য যে নাগৰিকত্ব সংশোধনী বিধেয়খন সম্পৰ্কে ৰাজ্যখনৰ সাধাৰণ নাগৰিক, বিভিন্ন ৰাজনৈতিক দল-সংগঠনৰ মতামত গ্ৰহণৰ উদ্দেশে সংসদীয় যুটীয়া সমিতিৰ এটা দল অলপতে গুৱাহাটী আৰু শিলচৰ ভ্ৰমণলৈ  আহিছিল।

000000

গুৱাহাটীৰ খানাপাৰাত থকা উদ্যান শস্য আৰু খাদ্য সংসাধন বিভাগৰ মোমাই তামূলী বৰবৰুৱা প্ৰেক্ষাগৃহত কালি ৰাষ্ট্ৰীয় মৌ মাখি বৰ্ডৰ সদস্য চল্ট ৰেঞ্জ ফুট প্ৰাইভেট লিমিটেড আৰু ভাৰতীয় কৃষি দক্ষতা পৰিষদৰ অধীনৰ মৌমাখি পালনৰ প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সহযোগত বিশ্ব মৌমাখি দিৱস উদযাপন কৰে। এই দিৱসৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ তিনিশ কৃষক আৰু মৌ পালকৰ এখন আলোচনা চক্ৰৰো আয়োজন কৰা হয়। ৰাজ্যৰ কৃষি আৰু উদ্যান শস্য তথা খাদ্য সংসাধন বিভাগৰ জ্যেষ্ঠ বিষয়ববীয়া সকলে এই আলোচনা চক্ৰত অংশ গ্ৰহণ কৰি ইয়াত উপস্থিত থকা খেতিয়ক তথা মৌ পালকসকলক মৌ পালনৰ বাবে উৎসাহিত কৰি ইয়াৰ সহায়ত তেওঁলোকৰ আমদানি বৃদ্ধি কৰিবলৈ আৰু ৰাজ্যৰ যুৱকসকলক সংস্থাপনৰ সুবিধা দিবলৈ আহ্বান জনায়।

000000

নগাওঁ আৰক্ষীয়ে কালি চাৰিজন মণিপুৰি গড়ঁৰ চোৰাং চিকাৰীক কৰায়ত্ত কৰে। চিকাৰী কেইজনৰ পৰা আৰক্ষীয়ে দুটা একে ৪৭ ৰাইফল, ছটা মেগ্‌জিন আৰু দুশতকৈও অধিক সক্ৰিয় গুলী উদ্ধাৰ কৰিছে। উল্লেখযোগ্য যে কিছুদিন পূৰ্বে কাজিৰঙাত সংঘটিত হোৱা গড়ঁ হত্যাৰ সৈতে এই চোৰাং চিকাৰী কেইটা জড়িত আছিল বুলি আৰক্ষীয়ে জানিবলৈ দিছে।

------------সমাপ্ত------------